# মছজিদে আকছাৰ বিষয়ে জানো আহক

## ইবাদতৰ বাবে সৰ্বপ্ৰথম ঘৰ

◆আল্লাহে পাকে কোৰআনত কৈছে: إِنَّ أَوَّلَ بَيْتٍ وُضِعَ لِلنَّاسِ لَلَّذِي بِبَكَّةَ مُبَارَكًا وَهُدًى لِلْعَالَمِينَ

নিশ্চয় মানৱ জাতিৰ বাবে সৰ্বপ্ৰথম যি ঘৰ(ইবাদতগাহ)প্ৰতিষ্ঠিত হৈছিল সেইটোৱেই যিটো মক্কাত আছে,বৰকতময় আৰু হিদায়ত বিশ্ববাসীৰ বাবে।(ছুৰা আল ইমৰাণ:৯৬) আল্লাহৰ উপসনা কৰিবলৈ মানৱ জাতিৰ বাবে সৰ্বপ্ৰথম ঘৰ কাবা শ্বৰীফ বনোৱা হৈছিল।

## মছজিদে আকছাৰ ফজিলত

কোৰআনত আল্লাহে মছজিদে আকছাক বৰকতময় ও পাক পবিত্ৰ বুলি ঘোষণা কৰে আৰু তাৰ পৰাই আমাৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ মেৰাজৰ ভ্ৰমণৰ আৰম্ভণি হয় যথা কোৰআনত আহিছে:

سُبْحَانَ الَّذِي أَسْرَىٰ بِعَبْدِهِ لَيْلًا مِنَ الْمَسْجِدِ الْحَرَامِ إِلَى الْمَسْجِدِ الْأَقْصَى الَّذِي بَارَكْنَا حَوْلَهُ لِنُرِيَهُ مِنْ آيَاتِنَا ۚ إِنَّهُ هُوَ السَّمِيعُ الْبَصِيرُ

পৱিত্ৰ মহিমাময় তেওঁ,যিজনে তেওঁৰ বান্দাক ৰাতিৰ ভিতৰতে ভ্ৰমণ কৰাইছে,আল-মাছজিদুল হাৰামৰ পৰা আল-মাছজিদুল আকছালৈ,যাৰ কেউফালে আমি বৰকত প্ৰদান কৰিছো,যাতে আমি তেওঁক আমাৰ নিদৰ্শন দেখুৱাব পাৰো; নিশ্চয় তেওঁ সৰ্বশ্ৰোতা, সৰ্বদ্ৰষ্টা।(ছুৰা আল ইছৰা:১)

◆এই মছজিদতেই আমাৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে সমস্ত নবী সকলৰ ইমামতি কৰিছিল। (صحيح مسلم:١٤٢)

আনহাতে নবী কৰীম স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:মছজিদে হাৰামত পঢ়া এক নামাজত একলাখ নামাজৰ,মোৰ মছজিদত (মছজিদে নবৱী)এক হাজাৰ নামাজৰ আৰু মছজিদে আকছাত পাঁচ শ নামাজৰ সমান চোৱাব পোৱা যায়।(شعب الإيمان،ج٦،ص٤٣١)

◆আন এক হাদিছত বাইতুল মোকাদ্দাছৰ বাসিন্দা সকলৰ প্ৰতি এনেদৰে আহিছে:

عَنْ أَبِي أُمَامَةَ قَالَ: قَالَ رَسُولُ اللَّهِ صلى الله عليه وسلم: "لَا تَزَالُ طَائِفَةٌ مِنْ أُمَّتِي عَلَى الْحَقِّ ظَاهِرِينَ لِعَدُوِّهِمْ قَاهِرِينَ

Scanned with CamScanner

# মছজিদে আকছাৰ শত্ৰু পৰাজিত হ'ব

-لَا يَضُرُّهُمْ مَنْ خَالَفَهُمْ إِلَّا مَا أَصَابَهُمْ مِنْ لَأْوَاءَ حَتَّى يَأْتِيَهُمْ أَمْرُ اللَّهِ وَهُمْ كَذَلِكَ". قَالُوا: يَا رَسُولَ اللَّهِ، وَأَيْنَ هُمْ؟ قَالَ: "بِبَيْتِ الْمَقْدِسِ وَأَكْنَافِ بَيْتِ الْمَقْدِسِ

-হজৰত আবু উমামা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত,আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে যে:মোৰ উম্মতৰ এটা দল সদায় সত্য পথত থাকিব। নিজৰ সত্ৰুক পৰাজিত কৰিব,(সত্ৰুৰ আগত হাৰ নামানিব)। সিহঁতৰ সত্ৰুই সিহঁতৰ চুলি পৰিমাণো একো কৰিব নোৱাৰিব কিন্তু সিহঁতৰ কিছু দৰিদ্ৰতা(অভাৱ)থাকিব। যথা আল্লাহৰ আদেশ(মৃত্যু)আহি যাব আৰু সিহঁত তেনে অৱস্থাতেই থাকিব,(অৰ্থাৎ তেওঁবোৰ নিজৰ ঈমানত পৰিপক্ক ৰূপে থাকিব আৰু শত্ৰুৰ বিৰুদ্ধে যুঁজ তথা প্ৰতিবাদ কৰিয়েই থাকিব।)চাহাবা সকলে নিবেদন কৰে ইয়া ৰাছুলাল্লাহ! তেওঁলোক কোন হ'ব ? তেখেত ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে ক'লে: বাইতুল মোকাদ্দাছ আৰু তাৰ দাঁতি-কাষৰীয়াৰ লোক।

(مجمع الزوائد،۷/۲۹۱/اخرجه الطبراني،۳۱۷/۲۰)

# মছজিদে আকছা

◆"মছজিদে আকছা যাৰ আন এটা নাম বাইতুল মোকাদ্দাছ" ই মুছলমানৰ প্ৰথম কিবলা আছিল। প্ৰথমে বাইতুল মোকাদ্দাছৰ পিনে মুখ কৰি নামাজ পঢ়া হৈছিল যেনেদৰে আজি কাবা শ্বৰীফৰ পিনে মুখ কৰি পঢ়া হয়। ই ফিলিস্তিনৰ চহৰ 'আল কুদছ'ত আছে। কিছুমানে সেই চহৰকো বাইতুল মোকাদ্দাছ বোলে। ইয়াত বহুতো নবীৰ,নেক ব্যক্তিসকলৰ তথা হজৰত ছুলাইমানৰ(আলাইহিমুস্বালাম)মাজাৰ আৰু বিশ্বৰ মুছলমানৰ অতি প্ৰিয় মছজিদ "মছজিদে আকছা" আছে সেয়েহে ইয়াক কুদছ কোৱা হয়।

(مرآة المناجيح،ج۲،ص۴۵۷،عجائب القرآن،ص۱۹۴،سفرنامے مفتی احمد یار خان،حصہ دوم،ص۹۵-ملخصا)

# আধাৰশিলা স্থাপনৰ পৰা সম্পন্নকৰণলৈ

◆কাবা শ্বৰীফৰ আধাৰশিলা স্থাপনৰ চল্লিশ বছৰ পিছত হজৰত আদম আলাইহিচ্ছালাম অথবা তেওঁৰ কোনো সন্তানে মছজিদে আকছাৰ আধাৰশিলা স্থাপন কৰে।

(مرآة المناجيح،ج۱،ص۴۲۵ ملخصا)

Scanned with CamScanner

# মছজিদে আকছাৰ নিৰ্মাণ

তাৰ পিছত নবী হজৰত নূহৰ সন্তান হজৰত ছাম আলা নাবিয়্যিনা ৱা আলাইহি ৱাচ্ছালামে ইয়াৰ নিৰ্মাণ কৰে। (عمدۃ القاری،ج۱۱،ص۸۱،تحت الحدیث:۳۳۶۶)

◆(কেইবা বছৰৰ পিছত)হজৰত দাউদ আলাইহি ৱাচ্ছালামে বাইতুল মোকাদ্দাছৰ স্থাপন সেই ঠাইত কৰে য'ত মূছা আলাইহিচ্ছাল্লামে তম্বু লগাইছিল। এই ঘৰটোৰ নিৰ্মাণ কাৰ্য সমাপ্ত হোৱাৰ পূৰ্বেই তেওঁৰ এই দুনীয়া ত্যাগৰ সময় আহি যোৱাত নিজ সন্তান হজৰত ছুলাইমান আলাইহিচ্ছাল্লামক ঘৰটোৰ পূৰ্ণ নিৰ্মাণৰ অচিয়ত কৰে।
(خزائن العرفان، پ۲۲، سبا، تحت الآیۃ:۱۴، ص۷۹۵)

এতেকে হৰজত ছুলাইমান আলাইহিচ্ছালামে ঘৰটোৰ নিৰ্মাণ কৰিবলৈ জিনৰ এটা দলক আদেশ দিয়ে। ঘৰটোৰ কাম চলিয়েই আছিল(عجائب القرآن،ص۱۷۲)মাথোঁ এবছৰৰ কাম বাকি আছিল তেওঁৰ ইন্তেকালৰ সময় আহি গ'ল। তেওঁ গা ধুই,নতুন কাপোৰ পৰিধান কৰি সুগন্ধ লগাই আহিলে আৰু এডাল লাঠিত ভৰ দি থিয় হয়। হজৰত ইজৰাইল আলাইহিচ্ছছালামে তেনে অৱস্থাতেই তেওঁৰ ৰুহ(প্ৰাণ)কবজ কৰিলে। তাৰ পিছত তেওঁ এনেদৰেই লাঠিত ভৰ দি থাকিল। আগতেটো জিনে ৰাতি বিশ্ৰামৰ সুযোগ পাইছিল কিন্তু এতিয়া day-night কাম কৰিব লগা হৈছে। হজৰত ছুলাইমান আলাইহিচ্ছালাম সকলো সময়তে থিয় হৈ আছে আৰু বিশ্ৰামৰ অনুমতি লোৱাৰ কাৰো সাহস নথকাত এবছৰ কোনো ধৰণৰ বিশ্ৰাম নোলোৱাকৈ ঘৰটোৰ নিৰ্মাণ কাৰ্য সমাপ্ত কৰে।(ملفوظات اعلیٰ حضرت،ص۵۲۸)

# পোহৰৰ ব্যৱস্থা

◆হজৰত ছুলাইমান আলাইহিচ্ছালামে ইয়াৰ নিৰ্মাণ মাৰ্বল-পাথৰ,হীৰা,মুকুতা,rubies আদিৰে কৰাইছিল-
(فتاویٰ رضویہ،ج۵،ص۳۷ ملخصًا بحوالہ معالم التنزیل، پارہ۲۲،سبا،تحت الآیۃ:۱۳،ج۳،ص۴۷۶ملتقطاً)

-আৰু বাইতুল মোকাদ্দাছৰ গম্বুজৰ ওপৰত ৰঙা গন্ধক(Red Sulfur)লগাইছিল যাৰ পোহৰ কেইবা মাইল দূৰলৈ গৈছিল। (روح البیان،پ۹،التوبۃ،تحت الآیۃ:۱۸،ج۳،ص۳۹۹)

Scanned with CamScanner

# কিবলা সাল-সলনি

◆হজৰত আদম আলাইহিচ্ছালামৰ পৰা হজৰত মূছা আলাইহিচ্ছলাম পৰ্যন্ত কাবা শ্বৰীফেই কিবলা আছিল। আনহাতে হজৰত মূছা আলাইহিচ্ছালামৰ পৰা হজৰত ঈছা আলাইহিচ্ছলাম পৰ্যন্ত বাইতুল মোকাদ্দাছ তথা মছজিদে আকছা কিবলা আছিল।(صراط الجنان ١/٢٥٢)হিজৰতৰ পিছত মুছলমানে ষোল্ল বা সোতৰ মাহ পৰ্যন্ত মছজিদে আকছাৰ পিনে মুখ কৰি নামাজ পঢ়ে।(ماخوذاً,سیرت مصطفیٰ،ص١٩٤),হিজৰতৰ এক বছৰ চাৰে পাঁচ মাহ পিছত পোন্ধৰ ৰজব সোমবাৰে 'বানি ছালমা' নামি মছজিদত জোহুৰৰ নামাজৰ মধ্যবৰ্তী সময়ত কিবলা সলনি কৰা হয়। অৰ্থাৎ মছজিদে আকছাৰ পৰিৱৰ্তে কাবা শ্বৰীফক কিবলা বনোৱা হয়। (تفسیر نعیمی، پ ٢،البقرة، تحت الآیۃ:١٣٢،ج٢،ص١٦)

# কিয় কিবলা সাল-সলনি(change)কৰা হৈছিল

◆ইয়াৰ উত্তৰ কোৰআন পাকত আল্লাহ তাআলা নিজেই দিছে

وَمَا جَعَلْنَا الْقِبْلَةَ الَّتِي كُنتَ عَلَيْهَا إِلَّا لِنَعْلَمَ مَن يَتَّبِعُ الرَّسُولَ مِمَّن يَنقَلِبُ عَلَىٰ عَقِبَيْهِ ۚ وَإِن كَانَتْ لَكَبِيرَةً إِلَّا عَلَى الَّذِينَ هَدَى اللَّهُ ۗ وَمَا كَانَ اللَّهُ لِيُضِيعَ إِيمَانَكُمْ ۚ إِنَّ اللَّهَ بِالنَّاسِ لَرَءُوفٌ رَّحِيمٌ

আৰু তুমি ইমান দিনে যিটো কিবলাৰ অনুসৰণ কৰি আছিলা সেইটোক আমি এই উদ্দেশ্যে কিবলাত পৰিণত কৰিছিলো,যাতে প্ৰকাশ কৰি দিব পাৰো যে কোনে ৰাছুলৰ অনুসৰণ কৰে আৰু কোনে পিছফালে উভতি যায় ? আল্লাহে যিসকলক হিদায়ত কৰিছে সিহঁতৰ বাহিৰে আনৰ বাবে এইটো এটা নিশ্চিত কঠিন কাম। আল্লাহ এনেকুৱা নহয় যে তোমোলকৰ ঈমান ব্যৰ্থ কৰি দিব। নিশ্চয় আল্লাহ মানুহৰ প্ৰতি সহানুভূতিশীল,পৰম দয়ালু।

(ছুৰা আল বাকাৰাহ:১৪৩)

◆উপৰোক্ত আয়াতৰ দ্বাৰা বুজিবলৈ নিশ্চয় টান নহয় যে আল্লাহে নামাজৰ মধ্যবৰ্তী সময়ত কিবলা সাল-সলনি কৰি ঈমানৰ পৰীক্ষা লৈছে যে কোনে মোৰ নবীৰ কথা মানি কিবলা সলনি কৰে আৰু কোনে নকৰে। কাবা শ্বৰীফ থকা সত্বেও বাইতুল মোকাদ্দাছক কিবলা বনোৱাৰ মুখ্য কাৰণ এয়াই। কিন্তু হজ্জ সদায় কাবা শ্বৰীফৰেই হৈছে আৰু হৈ থাকিব।

من اراد الإطالۃ فلیرجع إلی تفسیر الطبری،تفسیر الآلوسی،تفسیر ابی السعود،بغوی

Scanned with CamScanner

আমাৰ লগত থাকক
প্ৰতিদিনে শিকক



# আমাৰ কৰণীয়

◆বৰ্তমান সময়ত আমি দোআৰ বাহিৰে একো কৰিব নোৱাৰোঁ। গতিকে নিম্নলিখিত দোআ কেইটা তিনিবাৰ,সাতবাৰকৈ পঢ়ি বেছি বেছিকৈ দোআ কৰক।

لَا إِلَٰهَ إِلَّا أَنْتَ سُبْحَانَكَ إِنِّي كُنْتُ مِنَ الظَّالِمِينَ

◆লা ইলাহা ইল্লা আনতা ছুবহানাকা ইন্নী কুনতু মিনায্ যালীমিন◆

◆অৰ্থ:তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তুমি পৱিত্ৰ মহান, নিশ্চয় মই অন্যায় কৰিছিলো'।

حَسْبُنَا اللَّهُ وَنِعْمَ الْوَكِيلُ

◆হাছবুনাল্লাহু ৱানিঅ'মাল ৱাকীল◆

◆অৰ্থ:আল্লাহেই আমাৰ বাবে যথেষ্ট আৰু তেওঁ যে কিমান উত্তম কৰ্মবিধায়ক'!

◆বেছি বেছিকৈ পঢ়ি দোআ কৰক যাতে আল্লাহে মুছলমানৰ অদৃশ্য ৰূপে সহায় কৰে।

◆আগলৈ ফৰৱাৰ্ড কৰিব নাপাহৰিব◆

اٰمِيْن بِجَاهِ النَّبِيِّ الْاَمِيْن صَلَّى الله تعالٰى عليه واٰله وسلّم

والله اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম

إن ترد الأصل فارجع إلي

+918638731917 Inzamul_78

Scanned with CamScanner